**Bhattadev University organises seminar to commemorate Samvidhan Ka Amrit Mahotsav: Celebrating 75 years of Constitution**

The Department of Political Science, Bhattadev University organised a seminar on the theme "Making of the Indian Constitution: Philosophy and Spirit" to commemorate Samvidhan Ka Amrit Mahotsav: Celebrating 75 years of Constitution. Prof. Manjit Das, Registrar of Bhattadev University graced the occasion as the Guest of Honour. In his address he highlighted how various provisions in the Indian Constitution have managed to tackle the challenges that the nation has faced since Independence. Prof. Jyotiraj Pathak, Professor in the Department of Political Science and Academic Registrar (i/c) of Kumar Bhaskar Varma Sanskrit and Ancient Studies University (KBVS&ASUN), Nalbari was the resource person of the seminar. Prof. Pathak in his lecture highlighted the process of framing of the Indian Constitution, the significant provisions in the Constitution and the philosophy and spirit that is reflected in the Indian Constitution. The meeting was presided by Monoj Kumar Das, Head of the Department, Department of Political Science, Bhattadev University. Several faculty members and students from the University participated in the seminar.









# ভট্টদেৱ বিশ্ববিদ্যালয়ত সংবিধানৰ অমৃত মহোৎসৱ

নিয়মীয়া বাৰ্তা, পাঠশালা, ৩১ মে' ঃ বজালী জিলা সদৰ পাঠশালাৰ ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ উদ্যোগত ২৯ মে'ত ভাৰতৰ সংবিধান প্ৰণয়নৰ ৭৫ বৰ্ষপূৰ্তি উপলক্ষে সংবিধানৰ অমৃত মহোৎসৱ পালন কৰা হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি 'সংবিধানৰ দৰ্শন আৰু প্ৰেৰণা' শীৰ্ষক এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বক্তৃতানুষ্ঠানত কুমাৰ ভাস্কৰ বৰ্মা সংস্কৃত আৰু পুৰাতন অধ্যয়ন বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক তথা ভাৰপ্ৰাপ্ত শৈক্ষিক পঞ্জীয়ক জ্যোতিৰাজ পাঠকে আমন্ত্ৰিত বক্তা হিচাপে অংশগ্ৰহণ কৰি ভাৰতীয় সংবিধানৰ প্ৰস্তুতি আৰু বিষয়বস্তু সম্পৰ্কত এক মননশীল তথা মূল্যবান বক্তব্য আগবঢ়ায়। ভট্টদেৱ বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক মনোজ কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত এই আলোচনা-চক্ৰত বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক মনজিৎ দাসে অংশগ্ৰহণ কৰি ভাষণ আগবঢ়ায়। অনুষ্ঠানত নামনি অসমৰ ভিতৰতে উচ্চশিক্ষাৰ অন্যতম শিক্ষানুষ্ঠানখনৰ বিভিন্ন বিভাগৰ অধ্যাপকসকলৰ লগতে ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তোলে।

